**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-07-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰত-ইণ্ডোনেছিয়াক শক্তিশালী কৌশলগত অংশীদাৰিত্বৰ আহ্বান জনাইছে।

২। অসমত মাদক দ্ৰব্য সৰবৰাহ নিয়ন্ত্ৰণৰ বাবে গৃহ মন্ত্ৰালয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

৩। দিল্লী বিশ্ববিদ্যালয়ক নিচামুক্ত চৌহদ হিচাপে গঢ়ি তোলাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে শপত লোৱা কাৰ্যক উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে প্ৰশংসা কৰিছে।

৪। গৃহমন্ত্ৰী অমিত শ্বাহে আজি দিল্লীত এক পেড় মা কে নামৰ অভিযানৰ অধীনত ৭০ লাখ গছপুলি ৰোপনৰ অভিযান মুকলি কৰে।

**আৰু**

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ আজি হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত আৰ্জেণ্টিনা, ইজিপ্তৰ মুখামুখি হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভাৰত-ইণ্ডোনেছিয়াক শক্তিশালী কৌশলগত অংশীদাৰিত্বৰ আহ্বান জনাই কয় যে ই কেৱল দুয়োখন ৰাষ্ট্ৰৰ সমৃদ্ধিৰ ক্ষেত্ৰতে নহয়, আঞ্চলিক আৰু গোলকীয় শান্তিতো অৰিহণা যোগাব। জাকাৰ্টাত ইণ্ডোনেছিয়াৰ সংসদত ভাষণ দি শ্ৰীমোদীয়ে কয় যে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সম্পৰ্ক শতিকাপুৰণি আৰু ইয়াৰ গণতান্ত্ৰিক মূল্যবোধ, পাৰস্পৰিক বিশ্বাস আৰু ভৱিষ্যতৰ বাবে একেলগে কাম কৰাৰ যথেষ্ট থল আছে।

শ্ৰীমোদীয়ে কয় যে ভাৰতে উন্নয়ন, শান্তি, স্থিতিশীলতা আৰু সমৃদ্ধিক বিশ্বাস কৰে। সন্ত্ৰাসবাদৰ বিৰুদ্ধে সামূহিক ব্যৱস্থা গ্ৰহণ আৰু আঞ্চলিক নিৰাপত্তা ক্ষতিগ্ৰস্ত কৰা কাৰ্যৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিৰক্ষা, সামুদ্ৰিক সুৰক্ষা, বাণিজ্য, ডিজিটেল প্ৰযুক্তি, শিক্ষা, কৃত্ৰিম বুদ্ধিমত্তা আৰু খনিজ পদাৰ্থৰ ক্ষেত্ৰতো সহযোগিতাৰ আহ্বান জনায়। তেওঁ ইউ পি আই, কৃত্ৰিম বুদ্ধিমত্তা, শিক্ষা, ষ্টাৰ্টআপ আৰু উদ্ভাৱনকে ধৰি ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ ক্ষেত্ৰত সহযোগিতা সম্প্ৰসাৰণ কৰি উভয় দেশৰ জনসাধাৰণক উপকৃত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ৰামায়ণৰ যুগৰ পৰাই দেশ দুখনৰ মাজত সাংস্কৃতিক বন্ধুত্ব চলি আহিছে বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

কৌশলগত আস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে গ্ৰেট নিকোবৰৰ পৰা মালাকা প্ৰণালীলৈকে চাইবাৰ সুৰক্ষা, জৰুৰীকালীন প্ৰস্তুতি আৰু সামুদ্ৰিক সহযোগিতাৰ ক্ষেত্ৰত সহযোগিতাৰ পোষকতা কৰে। জনসাধাৰণৰ মাজত সম্পৰ্ক শক্তিশালী কৰাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে মহা কুম্ভমেলাৰ দৰে পদক্ষেপে ভাৰতৰ সাংস্কৃতিক নীতি-নিয়মক জনসাধাৰণৰ মাজত তুলি ধৰিছে আৰু দ্বিপাক্ষিক সংযোগ অধিক গভীৰ কৰাৰ সুযোগ প্ৰদান কৰিছে।

সম্প্ৰসাৰিত অংশীদাৰিত্বই সমগ্ৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ শক্তি হিচাপে কাম কৰি যাব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আস্থা প্ৰকাশ কৰিছে।

ইণ্ডোনেছিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান **বিনটাং আদিপূৰ্ণা অব্ দা ৰিপাব্লিক অব্ ইণ্ডোনেছিয়া** লাভ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁ এই সন্মান ভাৰতীয় জনসাধাৰণলৈ উচৰ্গা কৰাৰ লগতে এয়া ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ ঐতিহাসিক সম্পৰ্কক প্ৰতিফলিত কৰিছে বুলি অভিহিত কৰে। এই সন্মানৰ বাবে তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি প্ৰাব'ৰ' ছুবিয়াণ্টো আৰু ইণ্ডোনেছিয়াৰ চৰকাৰ তথা ইয়াৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

শ্ৰী মোদীয়ে কাইলৈ ইণ্ডোনেছিয়াত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ **প্ৰম্বনন মন্দিৰ** দৰ্শন কৰিব। নৱম শতিকাৰ হিন্দু স্থাপত্য শৈলীৰে নিৰ্মিত এই মন্দিৰ ইণ্ডোনেছিয়াৰ সাংস্কৃতিক সমলৰ অন্যতম হিচাপে গণ্য কৰা হয়।

০০০০০০০০০

অসমত মাদক দ্ৰব্য সৰবৰাহ নিয়ন্ত্ৰণৰ বাবে গৃহ মন্ত্ৰালয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিধানসভাত **ড্ৰাগছমুক্ত অসম** সন্দৰ্ভত হোৱা আলোচনাত এই কথা প্ৰকাশ কৰে। কংগ্ৰেছৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে ৰাজ্যত মাদক দ্ৰব্য সৰবৰাহ সন্দৰ্ভত তথ্যসহ উত্থাপন কৰাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে এই কথা জানিবলৈ দিয়ে। ড০ শৰ্মাই কয়, যে আৰক্ষীয়ে মাদক দ্ৰব্যমুক্ত অসম গঢ়াৰ বাবে নিৰন্তৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অপৰাধীয়ে আইন হাতত তুলি ল'লে আৰক্ষীয়ে প্ৰত্যুত্তৰ দিবলৈ বাধ্য হয় আৰু সমালোচনাৰ সন্মুখীন হয়। এনে কাৰ্য নিৰ্মূল কৰাৰ বাবে ভৱিষ্যতেও চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক সহযোগিতা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীয়ে সদনৰ প্ৰতি আহ্বান জনায়।

০০০০০০০০০

ব্ৰীকচ সদস্য ৰাষ্ট্ৰসমূহে গুৱাহাটীত অনুষ্ঠিত মাদক দ্ৰব্য বিৰোধী সংস্থাৰ মুৰব্বীসকলৰ বৈঠকত গ্ৰহণ কৰা ঘোষণা পত্ৰমৰ্মে মাদক দ্ৰব্যমুক্ত বিশ্ব গঢ়ি তোলাৰ বাবে সংকল্প লৈছে। কেন্দ্ৰীয় মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাৰ সঞ্চালক প্ৰধান অনুৰাগ গাৰ্গে দেশত ব্ৰীকচ্ ভাৰ্চুৱেল কৰ্মবাহিনী গঠন কৰি এই ক্ষেত্ৰত কাম কৰি যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত গুৱাহাটীত দুদিনীয়াকৈ অনুষ্ঠিত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ মাদক দ্ৰব্য বিৰোধী সংস্থাৰ মুৰব্বীসকলৰ বৈঠকৰ আজি সামৰণি পৰিছে।

০০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্ত্ৰালয়ৰ উচ্চপদস্থ বিষয়াৰ সৈতে আজি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনক সাক্ষাৎ কৰে। উপৰাষ্ট্ৰপতি ভৱনত হোৱা এই সাক্ষাতৰ সময়ত মন্ত্ৰীগৰাকীয়ে উপ-ৰাষ্ট্ৰপতিক কপাহ উৎপাদনশীলতা অভিযানৰ বিষয়ে অৱগত কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কপাহ পৰিৱেশ তন্ত্ৰক শক্তিশালী কৰাৰ দিশত মন্ত্ৰালয়ে গ্ৰহণ কৰা সামগ্ৰিক দৃষ্টিভংগীৰ শলাগ লয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিয়ে উদ্ভাৱনক ত্বৰান্বিত কৰিবলৈ সময়সীমাবদ্ধ অনুমোদন ব্যৱস্থাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ প্ৰতি একৰ কপাহৰ উৎপাদন উন্নত কৰাৰ বাবে স্পষ্ট আৰু জুখিব পৰা লক্ষ্যৰ বাবেও আহ্বান জনায়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কপাহ উৎপাদন

অভিযানৰ বিষয়ে অধিক জনসচেতনতাত গুৰুত্ব আৰোপ কৰে আৰু গুণগত মানৰ কপাহৰ চাহিদা পূৰণৰ বাবে বজাৰ ব্যৱস্থাতো গুৰুত্ব আৰোপ কৰে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দিল্লী বিশ্ববিদ্যালয়ক নিচামুক্ত   চৌহদ হিচাপে গঢ়ি তোলাৰ বাবে ২ লাখ ৩ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে শপত লোৱা কাৰ্যক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে কয় যে সুস্থ, সবল আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ লক্ষ্যৰে বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰী একেলগে ওলাই অহা কাৰ্য অতি প্ৰশংসনীয়। তেওঁ সমগ্ৰ দেশৰ বিশ্ববিদ্যালয়সমূহক মাদক দ্ৰব্য সেৱনৰ পৰা আঁতৰি থকাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰিবলৈ এনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। শ্ৰীৰাধাকৃষ্ণণে লগতে দেশৰ আন শিক্ষা প্ৰতিষ্ঠানসমূহকো নিচামুক্ত ভাৰত অভিযানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি দিল্লীত এক পেড় মা কে নামৰ অভিযানৰ অধীনত ৭০ লাখ গছপুলি ৰোপনৰ অভিযান মুকলি কৰে। অনুষ্ঠানত শ্ৰীশ্বাহে কয় যে দিল্লীৰ পৰিবেশ পৰিৱৰ্তন কৰাৰ লক্ষ্যৰে এই উল্লেখযোগ্য পদক্ষেপ লোৱা হৈছে। তেওঁ কয় যে দিল্লী চৰকাৰে ৫ হাজাৰ হেক্টৰ ভূমি বনভূমি হিচাপে ঘোষণা কৰি ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰীশ্বাহে কয় যে কেন্দ্ৰীয় চৰকাৰ আৰু দিল্লী চৰকাৰে পৰৱৰ্তী চাৰি বছৰত ছহেজাৰ ৩০০ হেক্টৰ সেউজীয়া উচ্চ ভূমি অঞ্চলক বনভূমি হিচাপে গঢ়ি তুলিব।

বাইট (অমিত শ্বাহ)

মন্ত্ৰীগৰাকীয়ে যমুনা নৈৰ পৰিস্কৰণৰ কাম চৰকাৰে অব্যাহত ৰাখিছে বুলি উল্লেখ কৰে। তেওঁ কয় যে দিল্লীৰ গোশালাসমূহৰ পৰা গোবৰ প্ৰত্যক্ষভাৱে যমুনা নৈত পেলাব নোৱাৰিব। শ্ৰীশ্বাহে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে ৩০০খন বৈদ্যুতিক বাছ, নতুনকৈ নিৰ্মাণ কৰা তিনিটা বাছ আস্থান আৰু ৪০টা যান-বাহনৰ প্ৰদূষণ পৰীক্ষণ কেন্দ্ৰ মুকলি কৰে।

০০০০০০০০০

ছিৰিয়াৰ ৰাজধানী ডামাস্কাচত আজি বিয়লি হোৱা দুটা বিস্ফোৰণত চাৰিগৰাকী আৰক্ষী বিষয়াসহ ১৮গৰাকী লোক আহত হয়। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ’ আৰু ছিৰিয়াৰ ৰাষ্ট্ৰপতি আহমদ অল-ছাৰা ৰাষ্ট্ৰপতি ভৱনত বৈঠকত মিলিত হোৱাৰ কিছু সময় পূৰ্বে এই বিস্ফোৰণ সংঘটিত হয়। ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকী কালি ছিৰিয়াৰ ৰাজধানী চহৰত উপস্থিত হয়। যুদ্ধবিধবস্ত দেশখনত পূৰ্বৰ মুৰববী বাছাৰ অল-আছাদ কাৰ্যকালৰ অৱসানৰ পাছৰে পৰা এয়া হৈছে ইউৰোপীয় সংঘৰ নেতাৰ প্ৰথম ভ্ৰমণ। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ’ থকা হোটেলখনৰ সমীপতে এই বিস্ফোৰণ সংঘটিত হয় বুলি ভালমোন সংবাদ গোষ্ঠীয়ে জানিবলৈ দিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ভৱনৰ কাৰ্যালয়ে জাৰি কৰা এটা বিজ্ঞপ্তিত জানিবলৈ দিছে যে ৰাষ্ট্ৰপতি মেক্ৰ’ সুকলমে আছে আৰু তেওঁৰ ভ্ৰমণ অব্যাহত থাকিব। ছিৰিয়াৰ আভ্যন্তৰীণ মন্ত্ৰালয়ৰ সূত্ৰই জানিবলৈ দিছে যে দেশখনৰ সুৰক্ষা বাহিনীসমূহে বিস্ফোৰণ সংঘটিত কৰাৰ বাবে ৰখা দুটা বিস্ফোৰক সামগ্ৰী ধৰা পেলোৱাৰ পাছত ইয়াক নিষ্ক্ৰীয় কৰিবলৈ চেষ্টা কৰি থকাৰ সময়তে বিস্ফোৰণ সংঘটিত হয়। মাহটোৰ আৰম্ভণিতে মধ্য ডামাস্কাচৰ এখন কেফেত বোমা বিস্ফোৰণ হৈ ৯গৰাকী লোক নিহত হোৱাৰ বিপৰীতে ২০গৰাকী লোক আহত হৈছিল। দেশখনৰ কৰ্তৃপক্ষই এয়া সন্ত্ৰাসবাদীৰ আক্ৰমণ বুলি উল্লেখ কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয় যে বাংগালোৰৰ ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানক ইণ্ডোনেছিয়াত ইয়াৰ এটা চৌহদ মুকলি কৰাৰ বাবে দিয়া অনুমতিক ভাৰতীয় শিক্ষা খণ্ডত এটা নতুন যুগৰ সূচনা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইণ্ডোনেছিয়া ভ্ৰমণৰ সময়ত এই চৌহদটো স্থাপনৰ প্ৰস্তাৱত অনুমোদন জনায়। তেওঁ লগতে কয় যে ইণ্ডোনেছিয়াত এই চৌহদটো স্থাপনৰ ফলত ভাৰতীয় পৰম্পৰাগত জ্ঞান আৰু শিক্ষা ব্যৱস্থা বিশ্বমুখী হোৱাৰ দিশত এটা উল্লেখযোগ্য পদক্ষেপ হিচাপে বিবেচিত হৈছে।

০০০০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ আজি আমেৰিকা যুক্তৰাষ্ট্ৰৰ আটলাণ্টাত হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত আৰ্জেণ্টিনা ইজিপ্তৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে ৯ বজাত অনুষ্ঠিত হ'ব। আনহাতে কানাডাৰ ভেংকুভাৰত আজি হ'বলগীয়া প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ অন্তিমখন খেলত কলম্বিয়া, ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন মাজনিশা ডেৰ বজাত অনুষ্ঠিত হ'ব।

০০০০০০০০০

সমাপ্ত